**অসমীয়া 2O21-22**

**Class-XII**

**Term—I I**

**Code (114)**

**Time- 2 hours** **Full marks— 40**

**General Instructions:**

1. The question paper contains four sections A, B, C, D
2. Section A has 1 QUESTION. Attempt all its parts.
3. Section B has 3 QUESTIONS. Attempt all 3 QUESTIONS and their parts.
4. Section C has 3 QUESTIONS. Attempt all 3 QUESTIONS and their parts.
5. Section D has 8 QUESTIONS in two part.. Attempt 2 QUESTIONS from each parts.
6. There is no negative marking.

## SECTION—A

## COMPREHENSION (বোধ পৰীক্ষণ)

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰ লিখা—

পৰিৱেশ শব্দটোৰ সাধাৰণ অৰ্থ বুলিলে আমি আমাৰ চৌপাশৰ সমাজ আৰু সেই সমাজত বসবাসকাৰী মানুহখিনিকে বুজো। কিন্তু বিজ্ঞানীসকলে পৰিৱেশ শব্দটোক বৃহৎ অৰ্থত ব্যৱহাৰ কৰিছে। বিজ্ঞানীসকলৰ ভাষাত পৰিৱেশ হ'ল প্ৰধানতঃ পাঁচটা উপাদান হ'লঃ মাটি, বায়ু, পানী, উদ্ভিদ আৰু প্ৰাণী, অৰ্থাৎ কেৱল জীৱজগতেই নহয়, জীৱজগতক আৱৰি যি সামগ্ৰিক প্ৰকৃতি আছে সেয়াই হ'ল আমাৰ পৰিৱেশ ।পৰিৱেশৰ বিভিন্ন উপাদান সমূহ পৰস্পৰে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল ।অৰ্থাৎ এটা নাথাকিলে আনটো থাকিব নোৱাৰে ।

কেতিয়াবা কোনো অনিষ্টকাৰী পদাৰ্থ আমাৰ চৌপাশে থকা মাটি, পানী আৰু বায়ুত প্ৰৱেশ কৰি এইবোৰৰ স্বাভাৱিক গুণ যেনে—মাটিত থকা খনিজ পদাৰ্থ বেক্টেৰিয়া ,কেঁচু আদি অনেক সৰু সৰু জীৱ, পানীত থকা অক্সিজেন, হাইড্ৰোজেন, বায়ুত থকা অক্সিজেন,হাইড্ৰোজেন,কাৰ্বন ডাই-অক্সাইড আদি নষ্ট

কৰে। তাৰফলত বায়ু, পানী,মাটি জীৱ জগতৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে আৰু জীৱজগতৰ ক্ষতি সাধন হয়।পৰিৱেশ এনেদৰে দূষিত হোৱা ঘটনাই হ'ল প্ৰদূষণ বা পৰিৱেশ দূষিতকৰণ।প্ৰদূষণ সৃষ্টি কৰা পদাৰ্থবোৰক  প্ৰদূষক বোলা হয়।

মানুহেই বায়ুত অনিষ্টকাৰী গেছ, ধোঁৱা ধূলি আদি উৰুৱায়, পানীত নানা ৰাসায়নিক দ্ৰব্য,তেল আদি পদাৰ্থ পেলায় আৰু হাবি-বন নাশ কৰি মাটিৰ অনিষ্ট সাধন কৰে। এনেদৰে মানুহে বায়ুমণ্ডল,মাটি, পানীৰ অনিষ্ট কৰি আমাৰ চৌপাশৰ পৰিবেশ দূষিত কৰি আনিছে।অৱশ্যে পৰিৱেশ দূষিত কৰাত প্ৰকৃতিৰো কিছু অৰিহণা আছে। মহাকাশৰ পৰা অহা অতি বেঙুণীয়া ৰশ্মি আৰু আন কেতবোৰ এনে ৰশ্মিয়ে বায়ুমণ্ডলৰ ক্ষতি সাধন  কৰে।

i) প্ৰদূষণ বুলিলে কি বুজা? 2

ii) মানুহে কিদৰে প্ৰদূষণ বৃদ্ধি কৰে? 2

iii) পৰিৱেশৰ পাঁচটা উপাদানৰ বিষয়ে লিখা। 2

iv) তলত দিয়া শব্দকেইটাত কিকি উপসৰ্গ যোগ হৈছে? 2

প্ৰদুষক, বিজ্ঞানী

**SECTION—B**

**WRITING ( লিখন কলা)**

2.তোমাৰ বিদ্যালয়ত  অনুষ্ঠিত হৈ যোৱা বিজ্ঞান বিষয়ক প্ৰদৰ্শনী খনৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । 4

3. ভাব সম্প্ৰসাৰণ কৰা ( যিকোনো এটা ) 4x1=4

ক) চঞ্চল মন সকলো অনৰ্থৰ মূল ।

খ) বিদ্যা পৰম সম্পদ ।

4. তলত দিয়া যিকোনো দুটা জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি বাক্যৰচনা কৰা--- 2x2=4

( i) মনত পৰ   ( ii) হাত বাগৰা ( iii) পেট ভাটৌ

## SECTION—C

## GRAMMAR (ব্যাকৰণ)

5. তলত দিয়া শব্দবোৰৰ দন্ত্য ন, মূদ্ধৰ্ণ্য ণ হোৱাৰ কাৰণ উল্লেখ কৰা----(যিকোনো তিনিটা) 3

i) সুষম ,ii) কষ্ট ,iii) কৃষক ,iv)ভূমিষ্ঠ

6. বন্ধনিৰ ভিতৰত দিয়া নিৰ্দেশ অনুসৰি বাক্য পৰিবৰ্তন কৰা---( যিকোনো তিনিটা) 3

i) পানী গোট মাৰিলে বৰফ হয় ।( জটিল বাক্যলৈ )

ii) যদি পাঠ্যপুথি ভালদৰে পঢ়া, সুফল পাবা। ( যৌগিক বাক্যলৈ )

iii) যিসকলে শাৰীৰিক শ্ৰম কৰে, সেইসকলৰ স্বাস্থ্য ভালে থাকে ।( সৰল বাক্যলৈ )

iv) যদিও বিষয়টো অভিনৱ, তথাপিও অস্বাভাৱিক নহয় ।( যৌগিক বাক্যলৈ)

7. i)অসমীয়া ব্যাকৰণত লিঙ্গ শব্দই কি বুজায়? ই কেইবিধ ? 2

ii) উভয় লিঙ্গ বুজোৱা দুটা শব্দ লৈ একোটাকৈ বাক্যৰচনা কৰা। 2

## SECTION-D

## LITERATURE

### ( গদ্য )

8.i) ভূদেৱ চৌধুৰীয়ে প্ৰশান্ত শৰ্মালৈ কিয় চিঠি লিখিছিল ? 2

নাইবা

ii)শীলভদ্ৰই লাভ কৰা দুটা বঁটাৰ বিষয়ে লিখা ।

9 i) বৰ্তমান সময়ত চিঠিৰ প্ৰাসঙ্গিকতা কিয় কমি গৈছে বুলি তুমি ভবা ? 3

নাইবা

ii) 'চিঠি' গল্পটোৰ নামকৰণৰ সাৰ্থকতা বিচাৰ কৰা ।

( পদ্য )

10 i) ''জয়ন্তী''ৰ কবিসকলৰ কবিতাৰ দুটা বৈশিষ্ট্য লিখা । 2

নাইবা

ii) শব্দ-অৰ্থ লিখা---'ষোড়শোপচাৰ '

11.i) ''হে মোৰ আলোক—পূজাৰী প্ৰাণ '' কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা । 3

নাইবা

ii) আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰ 'আঘোণৰ কুঁৱলী ' ত কেনেদৰে প্ৰকাশ পাইছে আলোচনা কৰা ।

---------------------------------------------------------------------------